**ASSEMBLY URGENT.**

GOVERNMENT OF ASSAM
DEPARTMENT OF SOCIAL JUSTICE & EMPOWERMENT
DISPUR : : GUWAHATI-06

Block-D, 1st Floor, Janata Bhawan sjedassam2022@gmail.com

eCF No.809219/

From : The Deputy Secretary to the Govt. of Assam
Department of Social Justice & Empowerment,
Dispur, Guwahati-06.

To : The Principal Secretary,
Assam Legislative Assembly,
Dispur, Guwahati-06.

Subject: Submission of reply in respect of Unstarred Assembly Question No...63........
to be asked by Dr. Joy Prakash Das........, Ho'ble MLA.

Sir,

With reference to the subject cited above, I am directed to submit herewith the Reply /materials in total .150............... sets in respect of Unstarred Assembly Question No...63.....to be asked by ~~Shri~~ Dr. Joy Prakash Das....., Ho'ble MLA during the Session **of 07/07/2026** in the Ho'nble Houese.

A copy of the same reply has been uploaded in the NeVA portal as required.

This is for favour of your kind information and necessary action.

Yours faithfully,

Deputy Secretary to the Govt. of Assam
Department of Social Justice & Empowerment
Dispur, Guwahati-06

Memo eCF No. 809219 / -A

Copy for information to:-

1. P.S to the Hon'ble Minister, Department of Social Justice & Empowerment, Dispur, Guwahati-06.
2. PA to the Secretary to the Govt. of Assam, Department of Social Justice &Empowerment, Dispur, Guwahati-06.

By Order etc.
(e-signed)
Deputy Secretary to the Govt. of Assam
Department of Social Justice & Empowerment

অসম বিধান সভা
তৰাবিহীন প্ৰশ্ন নং- ৬৩
উত্তৰ দিয়াৰ তাৰিখ : ০৭- ০৭- ২০২৬

বিষয়ঃ **জাতিগত প্ৰমাণপত্ৰ সম্পৰ্কে** ড° জয় প্ৰকাশ দাস : বিধায়ক

**প্ৰশ্ন:**

মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

ক) ৰাজ্যত বহুলোকে অনুসূচিত জাতিৰ ভূৱা জাতিগত প্ৰমাণপত্ৰ এতিয়াও ব্যৱহাৰ কৰি থকাটো চৰকাৰ অৱগতনে ? এই ভূৱা প্ৰমাণপত্ৰ ৰোধৰ বাবে চৰকাৰে কি ব্যৱস্থা গ্ৰহণ কৰিছে ?

(খ) অনুসূচিত জাতিৰ বাবে অসমত জাতিগতভাৱে জৰীপ কেতিয়া হ'ব ? বিশদভাৱে জনাব।

(গ) অনুসূচিত জাতিৰ কল্যাণ নিগমৰ বৰ্তমানৰ স্থিতিৰ সম্পৰ্কে সবিশেষ জনাব। এই নিগমৰ জিলাভিত্তিক আৰু ৰাজ্যিক ভিত্তিক কৰ্মচাৰীৰ সংখ্যা কিমান ? বিগত কিমান সময়ৰ পৰা এই নিগমত নতুন নিযুক্তি প্ৰক্ৰিয়া বন্ধ হৈ আছে? ভৱিষ্যতে নতুন নিযুক্তি প্ৰক্ৰিয়াৰ কিবা পৰিকল্পনা গ্ৰহণ কৰিব নেকি ?

**উত্তৰঃ**

মাননীয় সামাজিক ন্যায় আৰু সৱলীকৰণ বিভাগৰ মন্ত্ৰী শ্ৰীযুত অশ্বিনী ৰায় সৰকাৰ মহোদয়ে উত্তৰ দিবঃ

(ক) অৱগত হয়। তেনে ধৰণৰ কোনো ৰাজহুৱা বা ব্যক্তিগত অভিযোগ পালে **SLSC (State Level Scrutiny Committee)**- ৰ নিৰ্দেশনাৱলীৰ অধীনত যথাবিহীত ব্যৱস্থা গ্ৰহণ কৰা হয়। ইতিমধ্যে কিছু অভিযোগ প্ৰমাণিত হৈছে আৰু **SLSC**-ৰ নিৰ্দেশনাৱলীৰ অধীনত যথাবিহীত ব্যৱস্থা গ্ৰহণ কৰা হৈছে।

(খ) এই বিভাগৰ দ্বাৰা কোনোধৰনৰ ব্যৱস্থা এতিয়ালৈকে গ্ৰহণ কৰা হোৱা নাই।

(গ) সবিশেষ অনুসুচী **'ক'**- হিচাপে বিধান সভাৰ ৱেবচাইট https://cms.neva.gov.in/- ত আপলোড কৰা হ'ল ।

---X---

অনুসূচী-৮

১৯৭৫ চনতে কোম্পানী এক্ট ১৯৫৬ৰ ধাৰা অনুযায়ী অসম চৰকাৰৰ ১.০০ (এক) কোটি কৰ্তৃত্বপূৰ্ণ মূল ধনেৰে (Authorised Share Capital) অসম ৰাজ্যিক অনুসূচিত জাতি উন্নয়ণ নিগমক স্থাপন কৰা হৈছিল। পৰৱৰ্তী সময়ত ১৯৭৯-৮০ চনত এই নিগমক কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ যৌথ অংশীকৃত (Joint Venture) অনুষ্ঠানলৈ পৰিবৰ্তন কৰি কৰ্তৃত্বপূৰ্ণ মূল ধনৰ পৰিমান ১০.০০(দহ)কোটি টকালৈ বৃদ্ধি কৰা হয়। লগতে অসম চৰকাৰ আৰু কেন্দ্ৰীয় চৰকাৰে যোগান ধৰিব লগীয়া মূল ধনৰ নিৰিখ ৫১:৪৯ অনুপাতত নিৰ্ধাৰণ কৰা হয়। পৰৱৰ্তী সময়ত কৰ্তৃত্বপূৰ্ণ মূল ধনৰ পৰিমান ২০.০০ (বিশ) কোটি লৈ বৃদ্ধি কৰা হয়। উক্ত মূল ধনৰ বিপৰীতে অসম চৰকাৰে ৫,৫৮, ৮৫, ০০০.০০ টকা আৰু কেন্দ্ৰীয় চৰকাৰে ৪,৫০, ৯৭, ০০০.০০ টকা মোকলাই দিয়ে। কিন্তু ২০১২-১৩ বৰ্ষৰ পৰা নিগমলৈ কোনো ধৰনৰ মূল ধন মোকলাই দিয়া নাই। ১৯৭৫ চনৰ পৰাই অসম বজ্যিক অনুসূচিত জাতি উন্নয়ণ নিগমে অসমত বসবাস কৰা অনুসূচিত জাতিৰ আৰ্থিক উন্নয়নৰ বাবে বিভিন্ন ধৰনৰ আচনি ৰূপয়াণ কৰি আহিছে। উক্ত নিগমে ৰাষ্ট্ৰীয় অনুসূচিত জাতি বিত্তীয় আৰু উন্নয়ণ নিগমৰ (NSFDC) পৰা ১৯৯৩ পৰা ২০০৩ চনৰ ভিতৰত মুঠ ১২.৯৮ কোটি টকা ঋণ লৈ অসমৰ শিক্ষিত অনুসুচিত জাতি নিবনুৱাক মাৰুতি ভেন, মিনি বাছ, মিনি ট্ৰাক, গেলামালৰ দোকান আদি বিভিন্ন আচঁনি ৰূপায়ণ কৰিবলৈ ঋণ প্ৰদান কৰিছিল। উক্ত ঋণ হিতাধিকাৰীয়ে বিভিন্ন কাৰনত পৰিশোধ কৰি শেষ কৰিব নোৱাৰাত অৱশিষ্ট ঋণ অসম চৰকাৰে আগবঢ়োৱা আৰ্থিক অনুদানেৰে ২০২৩-২৪ চনত সম্পূৰ্ণ ভাবে পৰিশোধ কৰা হয়।

ঠিক এইদৰে ২০০০-২০০২ চনৰ ভিতৰত ৰাষ্ট্ৰীয় চাফাই কৰ্মচাৰী বিত্তীয় আৰু উন্নয়ণ নিগমৰ (NSKFDC) পৰা ৬.৫৯ কোটি ঋণ লৈ অসমত বসবাস কৰা চাফাই কৰ্মচাৰীক ঋণ প্ৰদান কৰা হয়। এই ঋনো হিতাধিকাৰীয়ে বিভিন্ন কাৰনত পৰিশোধ কৰি শেষ কৰিব নোৱাৰাত অৱশিষ্ট ঋণ অসম চৰকাৰে যোগান ধৰা অৰ্থ সাহাৰ্য্যৰে ২০২৩-২৪ চনত সম্পূৰ্ণ ভাবে পৰিশোধ কৰা হয়। বৰ্তমান অসম ৰাজ্যিক অনুসূচিত জাতি উন্নয়ণ নিগম কোনো বিত্তীয় অনুষ্ঠানৰ লগত ঋণী হৈ থকা নাই। অন্যহাতে কৰ্মচৰীৰ সংখ্যা পৰ্য্যাপ্ত নোহোৱাৰ বাবে আৰু Govt. Guarantee নোপোৱাৰ বাবে এই ঋণ দান আচঁনি পুনৰ ৰূপায়ণ কৰা হোৱা নাই। উল্লেখনীয় যে চৰকাৰে নিয়মীয়া কৰ্মচাৰীৰ দা- দৰমহা বাজেটত ধাৰ্য্য কৰি প্ৰতি বছৰে আৰ্থিক সাহৰ্য্য যোগান ধৰে। ইয়াৰোপৰি উন্নয়ন আঁচনি (Development Scheme) অধীনত বাজেটত অৰ্থ সাহাৰ্য্য নিৰ্ধাৰণ কৰি প্ৰতি বছৰে আয়বৰ্ধক আঁচনি জৰিয়তে হিতাধিকাৰীক সা- সঁজুলি বিতৰনৰ বাবে আৰ্থিক সাহাৰ্য্য যোগান ধৰে। নিয়মীয়া কৰ্মচাৰীৰ মাহিলি দা- দৰমহাৰ বাদে চৰকাৰৰ পৰা অন্য প্ৰশাসনীয় খৰছৰ বাবদ কোনো পুজি লাভ নকৰাৰ কাৰনে ২০১৭-১৮ বৰ্ষৰ পৰা চৰকাৰৰ অনুমোদন সাপেক্ষে উক্ত নিগমে নিজস্ব আভিযান্ত্ৰিক শাখাৰ যোগেদি চৰকাৰী, অৰ্ধ চৰকাৰী আদি বিভাগৰ নিৰ্মান কাৰ্য্যত (Constructional Works) ৩% Agency Charge লৈ ৰূপায়ণ কৰি আহিছে। অসম চৰকাৰে eCF নং ৪৫২৭৫৩/১২১ তাৰিখ ০৪-০৮-২০২৫ আদেশৰ

দ্বাৰা বৰ্তমানৰ নিগমৰ Board of Directors গঠন কৰিছিল। কিন্তু যোৱা মাৰ্চ মাহত Board ৰ Chairman শ্ৰীযুত জয়ন্ত কুমাৰ দাস দেৱে পদত্যাগ কৰাত বৰ্তমান Chairman পদটো খালী হৈ আছে। বাকী ভাইচ চেয়াৰমেন সহ ৫ (পাঁচ) জন সঞ্চালকে Board of Directors ৰ কাৰ্য্যনিৰ্বাহ কৰি আছে। উক্ত Board of Directors ৰ ম্যাদ ১১-০৮-২০২৭ লৈকে আছে।

অসমৰ প্ৰতিখন জিলাতেই নিগমৰ জিলা ভিত্তিক কাৰ্য্যালয় নাই। বৰ্তমান এটি মুখ্য কাৰ্য্যালয় গুৱাহাটীত আৰু বিশটা শাখা কাৰ্য্যালয় অসমৰ বিভিন্ন জিলাত আছে। সম্প্ৰতি ২৩ জন নিয়মীয়া কৰ্মচাৰী আৰু ২৭ জন সাময়িকভাবে নিযুক্তি দিয়া মুঠ ৫০ জন কৰ্মচাৰীয়ে শাখা কাৰ্য্যালয় আৰু মুখ্য কাৰ্য্যালয়ত কাৰ্য্য নিৰ্বাহ কৰি আছে। ইয়াৰে শাখা কাৰ্য্যালয়ত ২৮ জনে আৰু মুখ্য কাৰ্য্যালয়ত ২২ জনে কাৰ্য্য নিৰ্বাহ কৰি আছে। সাময়িকভাবে নিযুক্তি দিয়া ২৭ জন কৰ্মচাৰীক নিগমে নিজস্ব আয়েবে পাৰিশ্ৰমিক প্ৰদান কৰি আহিছে।

বিগত ২০০৩ চনৰ মে মাহৰ পৰা কোনো নিয়মীয়া পদত নিযুক্তি দিয়া হোৱা নাই। কিন্তু সাময়িকভাবে ২৭ জন কৰ্মচাৰীক নিগমে নিজস্ব আয়েৰে পাৰিশ্ৰমিক দি কাৰ্য্যত নিয়োজিত কৰি কাৰ্যালয়ৰ কাৰ্য চলাই আছে।

চৰকাৰৰ নিৰ্দেশনা অনুসৰি ০১-০৬-২০২৬ ৰ পৰা ২০২৭ চনৰ ৩১ মাৰ্চলৈ আৰু অনাগত ২০২৭-২০২৮, ২০২৮-২৯, ২০২৯-৩০ আৰু ২০৩০-৩১ বিত্তীয় বৰ্ষত খালী হবলগীয়া ১৫ টা পদৰ বাবে যাৱতীয় তথ্য চৰকাৰক প্ৰদান কৰা হৈছে।

---X---